# **NSD NEWS UNIT**

# AKASHVANI, GUWAHATI

0000000000

**Date :** 15-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

আজি পহিলা মাঘ উপলক্ষে পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ, নামঘৰ আৰু অন্য ধৰ্মীয় উপাসনাস্থলীসমূহত অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ মন্দিৰ তথা ধৰ্মীয় স্থানসমূহৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইৰ সত্ৰ-নামঘৰসমূহত আজি জনসাধাৰণে শৰাই আগবঢ়াই পূজা-অৰ্চনা কৰিছে। তদুপৰি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে ঠায়ে ঠায়ে মাঘ বিহুৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**শিৱসাগৰ** জিলাত আজি পহিলা মাঘৰ দিনা শিৱদৌল, দেৱীদৌলকে ধৰি বিভিন্ন ধৰ্মীয় স্থানসমূহত বহুলোকৰ সমাগম হৈছে। তদুপৰি ঠায়ে ঠায়ে পৰম্পৰাগত খেল-ধেমালি, পিঠা-পনা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱালৈ আজি পুৱাৰে পৰা দূৰ-দূৰণিৰ বহু ভক্তৰ আগমন হৈছে। হিন্দু-মুছলমান আৰু বৌদ্ধ ধৰ্মৰ ত্ৰিবেণীসংগম ৰূপে খ্যাত কামৰূপ জিলাৰ তীৰ্থনগৰী **হাজোত** আজি পহিলা মাঘ উপলক্ষে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।  উল্লেখযোগ্য যে প্ৰতিবছৰে পহিলা মাঘৰ দিনটোত হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ লগতে অন্য ধৰ্মীয় স্থানসমূহ দৰ্শন কৰিবলৈ অগণন লোকৰ সমাগম হয়। **বৰপেটা** জিলাত কালিৰে পৰা সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে বিহু পালন কৰা হৈছে। বৰপেটা আৰু ইয়াৰ সমীপৱৰ্তী স্থানসমূহত কালি উৰুকা তথা স্থানীয় ভাষাত **গাতা ৰখা** উদযাপন কৰা হয়। জিলাখনত আজি মেজি জ্বলোৱা হৈছে। নিয়ম অনুসৰি আজি বৰপেটা সত্ৰৰ টুপৰ চোতালত ভকতসকলে সজা মেজিত অগ্নিসংযোগ কৰাৰ পাছতহে সত্ৰৰ বাহিৰৰ স্থানসমূহত সজা মেজি জ্বলোৱা হয়। বৰপেটা জিলাৰ সৰভোগৰ শ্ৰীশ্ৰীগৰখীয়া গোসাঁই থানতো পৰম্পৰাগতভাৱে মাঘ বিহু পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত থানখনত আজি দূৰ-দূৰণিৰ অনেক লোক সমবেত হৈ গৰখীয়া গোসাঁইলৈ সেৱা আগবঢ়ায়। একেদৰে গুৱাহাটী মহানগৰীৰ ধৰ্মীয় স্থানসমূহতো অগণন লোকে ভিৰ কৰা পৰিলক্ষিত হৈছে। কামাখ্যা মন্দিৰ, বশিষ্ঠ মন্দিৰ, দৌলগোবিন্দ মন্দিৰ, উমানন্দ, শুক্ৰেশ্বৰ দেৱালয়কে ধৰি ধৰ্মীয় স্থানসমূহত আজি পুৱাৰে পৰা বহুলোক সমবেত হৈছে।

oooo

সেনা বাহিনীৰ লোকসকলে দেশৰ বাবে কৰা সৰ্বোচ্চ ত্যাগক সন্মান জনোৱাৰ বাবে আজি দেশজুৰি সেনা বাহিনী দিৱস পালন কৰা হৈছে। এই দিনটোৰ উদযাপনে ভাৰতীয় সেনা বাহিনীৰ অসীম সাহস, দেশৰ প্ৰতি কৰ্তব্যনিষ্ঠা আৰু মাতৃভূমিৰ প্ৰতি সেৱাৰ মনোভাৱকে প্ৰতিফলিত কৰে। ১৯৪৯ চনত অন্তিম গৰাকী ব্ৰিটিছ সেনাৰ মুৰব্বীৰ পৰা ভাৰতীয় সেনাৰ তেতিয়াৰ জেনেৰেল কে এম কৰিয়াপ্পাই দায়িত্বভাৰ গ্ৰহণ কৰি ভাৰতীয় সেনা বাহিনীৰ

প্ৰথমগৰাকী মুৰববী হিচাপে পৰিগণিত হোৱা দিনটোৰ সোঁৱৰণত আজি এই দিৱস পালন কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সেনা বাহিনী দিৱস উপলক্ষে ভাৰতীয় সেনা বাহিনীৰ বিষয়া-জোৱানসকলৰ লগতে তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে অদম্য সাহস আৰু কৰ্তব্যনিষ্ঠাৰ নিদৰ্শনেৰে ভাৰতীয় সেনা বাহিনী বিশ্বৰ অন্যতম শ্ৰেষ্ঠ সেনা বাহিনীৰূপে পৰিগণিত হৈছে। ভাৰতীয় সেনা জোৱানসকলে অত্যন্ত প্ৰতিকূল পৰিস্থিতিতো নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে বুলি মন্তব্য কৰে। তেওঁ লগতে দেশৰ বাবে জীৱন উৎসৰ্গা কৰা সেনা জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। কাৰ্বি আংলং আৰু মেঘালয়ৰ শতাধিক গাঁৱৰ মামা-মামীসকলে কাইলৈ পুৱাই পাহাৰত উৎপাদিত কৃষিজাত সামগ্ৰীৰ বিনিময়ৰ বাবে মেলালৈ আহিব। পৰহিলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰ হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্বৰ  লগতে কুকুৰা যুঁজ আৰু বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী  তথা সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হ মিন্ত বিশ্ব শৰ্মাই কাইলৈ জোনবিল মেলাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। মুখ্যমন্ত্ৰীয়ে এই মেলাত মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰিব। ইতিমধ্যে এই মেলাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। গোভা দেওৰজাৰ অৰমবিলত সমুহীয়া মাছ ধৰা পৰ্ব আৰু ৰজাৰ বিষয়াবৰ্গই প্ৰতিকীৰূপত কৰ সংগ্ৰহৰ পাছতে জোনবিল মেলাৰ সামৰণি পৰিব। এই মেলালৈ মৰিগাঁৱকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লোকৰ সমাগম ঘটিব বুলি আশা কৰা হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰতিদিনে পুৱা ৭ বাজি ৫৫ মিনিট আৰু সন্ধিয়া ৬ বজাত প্ৰচাৰ কৰি অহা বাতৰিত **উজনিৰ বাতৰি** বুলি নামকৰণ কৰাৰ বাবে কিছুসংখ্যক শ্ৰোতাই আপত্তি দৰ্শোৱা বাতৰি বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত বাতৰি বিভাগে স্পষ্ট কৰিব বিচাৰে যে, ৰাজ্যখনক উজনি আৰু নামনি নামেৰে বিভাজন কৰাৰ কোনো উদ্দেশ্য বাতৰি বিভাগৰ নাই। আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশমৰ্মে পূৰ্বে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বাতৰি  বুলেটিন বৰ্তমান গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হৈছে। সেয়েহে এই বাতৰিক **উজনিৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছিল। তৎসত্তেও শ্ৰোতাসকলৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনাই ১৫ জানুৱাৰীৰ পৰা এই দুয়োখন বাতৰি বুলেটিনক **উজনি অসমৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছে। এই বাতৰি বুলেটিনকো অসমৰ সকলো শ্ৰোতাই আদৰি ল'ব বুলি আশা কৰা হৈছে।

০০০০

সমাপ্ত